# ভাৱৰীয়া

পৰাগ কুমাৰ ডেকা

চিটিবাছখনে ঘেৰঘেৰ শব্দ কৰি বাছষ্টপটোত ৰ'ল। দাসে সোঁহাতৰ চুণসনা তৰ্জনী আঙুলিটো পোনকৈ ধৰি, বিবৰ্ণ ৰঙা চামৰাৰ বেগটো কাষলতিৰ তলত চেপা মাৰি লৈ, বাওঁহাতেৰে পেণ্টটো খামুচি ধৰি বাছখনৰ ফালে দৌৰিলে। পাচে বাছৰ ওচৰ পাই দেখে বাছৰ পাওদানীতো ভৰি থ'বলৈ ঠাই নাই। অগত্যা বাছখন যাবলৈ দি তেওঁ ওচৰতে থিয় দি থকা ৰিক্সা এখনৰ পিঠিত আঙুলিটোৰ চুণখিনি মচিলে। বাওঁহাতেৰে বেগটো সোঁহাতৰ কাষলতিৰ তলৰ পৰা উলিয়াই আনি হাতখনৰ মুঠিটো বেগটোৰ ফিতাডালত সুমুৱাই ল'লে, আৰু দুয়োখন হাতেৰে পেণ্টটোত ভালকৈ এটান মাৰিলে। সেইসময়তে তেওঁ দেখিলে বৰবাবু খাটনিয়াৰে ৰাস্তাটো পাৰ হৈ তেওঁৰ পিনে আহিব লাগিছে। দাসে তেওঁৰ ওঁঠৰ কোণ দুটা দুপিনে টানি হাঁহি এটা মাৰিলে—দুগালত দুটা টোঁটোলা পৰিল। ওচৰৰ ৰিক্সাখনৰ পিছ চকা এটাত পিকখিনি পেলাই তেওঁ খাটনিয়াৰক মাত লগালে—

"কি হে, ক'ৰ পৰা?"

"এই নক'ব ৰ'ব। এই কলেজলৈ আহিছিলোঁ।"

"নকওঁ দিয়ক। পাচে আপুনি আজি ছুটিত নাছিল জানো?"

"ছুটিতেই আছিলোঁ ৰ'ব।" খাটনিয়াৰে হাঁহি এটা মাৰি ক'লে, "এই কিবা ফাইল এটা দিব আহিবলগীয়া হ'ল প্ৰিন্সিপালৰ অফিছত।"

"অ! এতিয়া ক'লৈ যায়?"

"এই ঘৰলৈয়ে যাওঁ ৰ'ব। আপুনিওতো ঘৰলৈয়ে যাব? ব'লক এইখিনি একেলগে যাওঁ।"

দুয়ো পাছৰ বাছখনত উঠিলে। বাছত উঠাৰ আগে আগে ৰিক্সাখনৰ চকাটোত পিকৰ গাঢ় ৰঙটো চাই দাসে সন্তুষ্টিৰে ভাবিলে, তামোলখন ভাল। বঢ়িয়া পাগ উঠিছে। থিয় হৈ হৈ পাঁচ মিনিটমান যোৱাৰ পাছত পাছফালৰ দুটা চিট খালী হোৱাত দুয়ো তাতে বহি ল'লে।

"আমাৰ ডেকাই আজি চাহ খুওৱাৰ কথা আছিল নহয়, খুৱালেনে নাই?" খাটনিয়াৰে সুধিলে।

দাসে জিভাৰে দাঁতৰ মাজৰ পৰা তামোলৰ টুকুৰা উলিয়াই উলিয়াই ক'লে, "নাই নাই। আপোনাৰ কপাল ভাল। আজি খুওৱা নহ'ল। আজি আটাইবোৰ ষ্টুডেণ্ট-ফেকাল্টি, অফিচ ষ্টাফৰ কণ্ডলেন্স হ'ল।"

"কিহৰ কণ্ডলেন্স? অ', আমাৰ হাজৰিকাৰ!"

"অঁ, হাজৰিকাৰ।"

"কিয়, সেইদিনাই পতা নাছিল জানো?"

"নাই নাই, সেইদিনা ছুটিহে দিলে। আজি ফৰ্মেলি পাতিলে আৰু। তিনিটা ক্লাচ হ'ল।"

"অ'! কিমান দেৰী হ'ল?"

"হ'ল অলপ দেৰী। আমাৰ প্ৰিন্সিপালকতো জানেই আৰু। ডেৰ ঘণ্টামান লেছ্‌কাৰ দিলে, গান গালে। কিবা বাঘ, চৰাই, চিলনী—তেনেকুৱা কিবা এটা। তাৰ পাছত উঠিল আমাৰ চৌধুৰী বাইদেউ। তেওঁ উঠিকিনেই দিলে হুকহুকাই কান্দি। প্ৰিন্সিপালে ক'লে বোলে বাইদেউ আপুনি অলপ সুস্থ হৈ লওঁক, আপুনি কিবা বোলেনো মানসিকভাৱে ভাঙি পৰিছে। কিন্তু নাই, তেওঁ একো নকয়ো, নামিও নাযায়—একেবাৰে হাহাকাৰ অৱস্থা।"

"অ', ক'ত হৈছিল মিটিঙখন? অপেন ষ্টেজত?" খাটনিয়াৰে আগ্ৰহেৰে শুনি থকাৰ মাজতে সুধিলে।

"অঁ, তাতেই হ'ল, অ'পেন ষ্টেজত।"

"আৰু কি কি হ'ল? আমাৰ ৰমেনে গান গালে নে নাই?"

"কোন ৰমেন?" দাসে অলপ আচৰিত হৈ সুধিলে।

"কিয়, আমাৰ কেণ্টিনৰ ৰমেন আকৌ। সি দেখোন ভূপেনদাৰ তামাম ফেন। প্ৰত্যেকবাৰ ফ্ৰেচাৰ্ছত কিবা নহয় কিবা এটা গায়েই দেখোন। অনবৰতে তাৰ সেই চাইনিজ মোবাইলটোত ফুল ভলিউমত ভূপেনদাৰ গান বজাই থাকে। লাঞ্চ টাইমত—আপুনি আকৌ টিফিন লৈ আনে নহয়, সেই কাৰণে গম নাপায়। ভালেই কৰে বুজিছে। ময়ো টিফিনেই অনা কৰিব লাগিব। আজিকালি যি গেষ্ট্ৰিক..."

"নাই নাই, সি গোৱা নাই একো।" দাসে তেওঁৰ কথাখিনি শেষকৈ কোৱাৰ সুযোগ নোপোৱাৰ ভয়ত লৰা-লৰিকৈ ক'লে, "অৱশ্যে হাতত কিবা কাগজ এখন লৈকিনে আমাৰ শৰ্মা চাৰক দেখুৱাই আছিল। গান-চানেই আছিল কিজানি কিবা। সি খুব ভাল পায় নেকি?"

"ভাল পায় নেকি মানে! একদম পগলা! যিদিনাখন ঢুকালে তাৰ পাছত দুদিন দোকানেই খোলা নাই।"

"অ, হয় নেকি? আজি কিন্তু আপুনি থাকিব লাগিছিল দেই, বিৰাট মিছ কৰিলে!"

"কিয়, কিবা চাহ-তাহ খুৱালে নেকি?"

"নাই নাই, চাহ নহয়। চাহ আৰু কি খুৱাব। আপুনি আমাৰ শৰ্মা চাৰৰ ভাষণ শুনিব লাগিছিল। মানুহটো কিন্তু বিৰাট জিনিয়াচ্ দেই।"

"জিনিয়াচ্‌তো হয়েই। এটা এটা গান..."

"নাই নাই, মই আমাৰ শৰ্মা চাৰৰ কথা কৈছোঁ।"

"অ'! তেওঁ টেলেণ্টেড মানুহ বিৰাট। ইংলেণ্ড নে আমেৰিকাত ক'ৰবাত ৰিচাৰ্ছ কৰি অহাতো।"

"টেলেণ্টেড মানে! আজি আপুনি তেওঁৰ ভাষণ শুনিব লাগিছিল! তেওঁ মানে যেনেকুৱা কথা কয়, যিবোৰ শব্দ ইউজ কৰে, আমিতো বুজিয়েই নাপাওঁ কিছুমান। তাতে ইংলিছ ডিপাৰ্টমেণ্টৰ মানুহতো। মাজে মাজে ইংলিছতো কিবা কিবি কয়, মাজে মাজে দেখো কিবা সংস্কৃতো কয়..." দাসে বিৰাট উৎসাহেৰে ক'ব ধৰিলে।

"জানো ৰ'ব।" খাটনিয়াৰে ক'লে, "শুনিছোঁ নহয় মই। আজি

মিটিঙত কি ক'লেনো?"

"এহ্, মই ভালকৈ নুশুনিলোৱেই, বুজিছে। ঘৰৰ পৰা বাৰে বাৰে ফোন কৰি আছিল। কিবাকিবি নিব লাগে বোলে। অ', তেওঁ ক'লে, যে ভূপেন হাজৰিকা নমৰে। আমি তেওঁক মৰিব নিদিওঁ। তেওঁ কিন্তু আৰু এটা ভাল কথা ক'লে দেই। এটা মানে দুটা ভাল কথা ক'লে, যে আমাৰ কলেজত এটা 'ভূপেন হাজৰিকা ষ্টাডিং চেণ্টাৰ' খুলিব লাগে। আৰু খুলিকিনে, ছেকেণ্ডতে আমি তেওঁক বিশ্বসভালৈ নিব লাগে, আৰু তাৰ কাৰণে আমি ফাৰ্ষ্টতে তেওঁৰ ওপৰত কিতাপ এখন উলিয়াব লাগে, কলেজৰ পৰা। তাৰ কাৰণে চবেই কিবা-কিবি লিখিব লাগে। আৰু যদি লিখিব টাইম নাপায়—টাইমতো নায়েই দিয়কচোন—তেতিয়া ক'ৰবাত কোনোবাই কিবা পুৰণি আৰ্টিকোল পালে, সেইবোৰেই আনি তেওঁক দিব লাগে। মুঠতে বুকফেয়াৰৰ আগত যেনে-তেনে কিতাপখন উলিয়াব লাগে।"

"অ! প্ৰিন্সিপাল চাৰে কি কয়?"

"প্ৰিঞ্চিপালে আৰু কি ক'ব। তেওঁ শুনি আছে আৰু মনে মনে। মাজে মাজে মূৰটো লৰা..."

"নহয় ৰ'ব, কি কয় মানে 'ভূপেন হাজৰিকা চেণ্টাৰ' খোলাৰ কথা।"

"অ! তেওঁ কৈছে তেওঁ জি. বি.ৰ মিটিঙত ক'ব কথাটো। আৰু নতুন গাৰ্লছ কমন ৰুমটোৰ নাম 'ভূপেন হাজৰিকা ছাত্ৰী জিৰণি কোঠা' দিয়াৰ কথা কৈছে।"

"গাৰ্লছ কমন ৰুমৰ নাম! কোনেও একো কোৱা নাইনে?"

"হাঃ হাঃ হাঃ... নক'ব? জগদীশ লহকৰকতো জানেই আৰু, অনবৰতে প্ৰিন্সিপালৰ ডিঙিটোত টিপা মাৰি ধৰোঁ ধৰোঁকেই থাকে। তেওঁতো এইটো চূড়ান্ত অপমান বুলি কৈকিনে উঠিয়ে গ'ল।"

"পাছৰফালে জমিল তাৰমানে ভালকৈ! মইহে মিছ কৰিলোঁ। তাৰপাছত?" খাটনিয়াৰে ভীষণ আগ্ৰহেৰে সুধিলে।

"নাই নাই, শৰ্মাচাৰে জগদীশ লহকৰক ৰাখিলে আৰু বুজাই বৰাই। তাৰ পাছত তেওঁ প্ৰস্তাৱ দিলে যে প্ৰথমতে ভূপেন হাজৰিকাৰ মূৰ্ত্তি এটা বনাব লাগে অডিটেৰিয়ামৰ সমুখত..." এইবুলি দাসে খিৰিকিৰে মূৰটো উলিয়াই থু পেলালে। থুখিনি কাষেৰে পাৰ হৈ যোৱা মটৰচাইকেল চালকৰ এজনৰ গাত পৰা যেন পাই অলপপৰ চালকজনে ঘূৰি চাই নেকি বাট চাই ৰ'ল।

"তাত দেখোন জ্যোতিপ্ৰসাদৰ মূৰ্ত্তি বহুৱাৰ কথা আছিল, চেণ্টিনেৰিৰ !!" খাটনিয়াৰে আচৰিত হৈ সুধিলে।

"হয়, কথা 'আছিল'।" দাসে মটৰ চাইকেলৰ আৰোহীজনৰ কোনো প্ৰতিক্ৰিয়া নেদেখি খাটনিয়াৰৰ মুখলৈ চাই অৰ্থপূৰ্ণ হাঁহি এটা মাৰি ক'লে। "ৰ'ব, আচল কথাটো কোৱাই নাই এতিয়াও। শৰ্মাচাৰে ক'লে, যে মূৰ্ত্তিটোৰ কাৰণে দৰকাৰ হ'লে ফেকাল্টি আৰু অফিচ ষ্টাফৰ আটায়ে পাঁচশ টকালৈ দিব লাগে। যিখিনি পইচা বাচি যায় সেইখিনিৰে বছৰে বছৰে 'ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা' এটা পাতিব লাগে।" এইবুলি কৈ দাসে খাটনিয়াৰৰ প্ৰতিক্ৰিয়ালৈ বাট চাই ৰ'ল।

"অ, তাৰমানে পাঁচশ টকা বতিয়াব লাগিব এতিয়া?" খাটনিয়াৰে লাহেকৈ ক'লে।

"নাই!" দাসে উত্তৰটো পাই উত্তেজিত হৈ ক'ব ধৰিলে, "মই গৈকিনে ক'ম প্ৰিন্সিপালক, যে চাৰ, আমাৰ অফিচ ষ্টাফৰ পৰা দুশকৈ লওক, নহ'লে খুব বেছি তিনিশ। আমাৰতো আৰু স্কেল একে নহয়। ওলাব আপুনিও।"

"ঠিক আছে, হ'ব দিয়কচোন। মইতো নায়েই আজি।" খাটনিয়াৰে সাৱধানতাৰে ক'লে।

"নাথাকিলে কি হ'ল, পইচাতো দিব লাগিব ন আপুনিও।" দাসে প্ৰায় ধমকিয়াই উঠিল। তাৰ পাছত হঠাতে মোলায়েম সুৰত ক'লে, "ওলাব। মই আজিয়েই ক'ম ভাবিছিলোঁ প্ৰিন্সিপালক। কিন্তু নাপালোৱেই লগ।"

"ঠিক আছে দিয়ক, লগ ধৰিব, যাম। আৰু কি কি হ'ল, আৰু কোনোবাই গান-চান গালেনে নাই?"

"গালে, আছমিজৰ অন্তৰা বাইদেৱে গালে—'জোনাকৰে মাটি, অসমীৰে ৰাতি'টো, আৰু কিবা এটা। তেওঁৰ মাতটো কিন্তু বঢ়িয়া দেই।"

"অঁ, একদম ফাইন মাত!" খাটনিয়াৰে হাঁমি এটা মাৰি ক'লে। "বিৰাট ফাইন মাত! আগতে ৰেডিঅ'ত গান গোৱা মানুহতো।"

"অ', হয় নেকি! আগতে নাজানিছিলোঁ দেই। সেই কাৰণেই ফ্ৰেচাৰ্ছ-টেচাৰ্ছ হ'লেই গান গায় ন?"

"অঁ আকৌ। আপুনি নাজানে নেকি? আমি আগতে শুনোঁ নহয়। আৰু আমাৰ লহকৰে কবিতা আবৃত্তি কৰিলেনে নাই?"

"অঁ অঁ, কিবা এটা কৰিছিলে, 'সাগৰ', 'যাযাবৰ' তেনেকুৱা কিবা কবিতা এটা। আপুনি কেনেকে গম পালে!" দাসে আচৰিত হৈ খাটনিয়াৰৰ মুখখন চাবলৈ চেষ্টা কৰিলে।

খাটনিয়াৰে সৰ্বজানৰ হাঁহি এটা মাৰি ক'লে, "সেইটো তেওঁ হাজৰিকা ঢুকুৱাৰ পিছদিনাই কমন ৰুমত মাতি আছিল। মই তেতিয়াই গম পাইছোঁ—এইটোতো তেওঁ পাঁচবাৰমান পাব্লিছ কৰিবই পেপাৰে-পত্ৰই। মোৰতো লাগিছে সেইতো তেওঁ হাজৰিকাৰ গা বেয়া বুলি গম পায়েই লিখি থৈছিল। নহ'লে আৰু ক'ত একে ৰাতিতে..."

"নাই নাই, মানুহটো পাগলতো অলপ, লিখি দিব পাৰে এক ৰাতিতে। দুবছৰমান আগতে কিবা কবিতাৰ কিতাপ এখনো উলিয়াইছে নহয়, 'এই চহৰ, সেই গাওঁ' নে কিবা।"

"অ'!" খাটনিয়াৰে লাহেকৈ ক'লে।

"আৰু প্ৰিন্সিপালক তক্কৰ দিব পৰা মানুহ তেৱেঁই আছে আকৌ কলেজত।"

"কি হে, এইখন নোযোৱাই হ'ল যে!" কথাবোৰ ঘূৰি ঘূৰি প্ৰিন্সিপালৰ ফালে যোৱা দেখি খাটনিয়াৰে ক'লে।

"হা? অ, সেইয়া নহয়, আগত সেইখন কিবা প্ৰাৰ্থনা সভা পাতিছে নেকি। ধেৰ মানুহ। নিউজ চেনেল-টেনেলো আছে, সেইয়া।" দাসে বাহিৰলৈ দেখুৱাই ক'লে। বাহিৰত ফুটপাথৰ ওপৰত আঠ ফুটমান ওখ ফটো এখনৰ সমুখত এশাৰী চাকি, কেইবাগচিও ধূপ জ্বলি আছিল, আৰু ফটোখন বেৰি অৰ্ধচন্দ্ৰাকৃতিত এজুম মানুহ থিয় হৈ আছিল। মানুহবোৰৰ

কোনোৱে ফটোখনত সেৱা কৰিছে, কোনো কোনোৱে সেৱা কৰি উঠি মোবাইল ফোনৰ কেমেৰাৰে ফটোখনৰ আৰু চৌপাশৰ মানুহৰ জুমটোৰ ফটো লৈছে। কোনোবাই আকৌ মাজবাটতে গাড়ী-মটৰ ৰখাই গাড়ীৰ ভিতৰৰ পৰাই সেৱা একোটা কৰি আকৌ আগবাঢ়িছে। মানুহৰ জুমটোৰ ওচৰতে কুৰ্ত্তা আৰু চচমা পৰিহিতা এগৰাকী যুৱতীয়ে ভি.ডি.অ'. কেমেৰাৰ সমুখত হাতত মাইক্ৰ'ফোন এটা লৈ উদাত্ত কণ্ঠেৰে কৈছিল—"এয়া ৰাজপথত শত-সহস্ৰ জনসমুদ্ৰই সুধাকণ্ঠৰ পবিত্ৰ স্মৃতিত অশ্ৰুঅঞ্জলী যাঁচি আছে। তেখেত আছিল জ্ঞান আৰু গানৰ ত্ৰিবেণী সংগম..." এই কোলাহলৰ মাজেৰে ওচৰৰ ক'ৰবাৰ পৰা পৌৰুষদীপ্ত কণ্ঠৰ গীত এটি ভাহি আহিছিল। দাসেও খিৰিকিৰে বাহিৰলৈ মূৰটো উলিয়াই সেৱা এটা কৰিলে। তেওঁৰ মনটো আৱেগত গধুৰ হৈ পৰিল। "এই গানটো কিন্তু আগত শুনা নাই দেই। ৰিচেণ্টলি গোৱা নেকি!" তেওঁ খাটনিয়াৰক ক'লে।

"কোনটো গান?" খাটনিয়াৰে ইফালে সিফালে চাই সুধিলে।

"এইটো, এই যে বজাই আছে—ৰাইজ আজি ভাৱৰীয়া, দেশেই নাটঘৰ—এইটো। আমি আগতে কবিতা এটা পাইছিলোঁ নহয়, 'নাটকঘৰ' নে কিবা এটা। বঢ়িয়া কবিতা আছিল দেই। একদম নিজৰ এক্সপিৰিয়েন্সৰ পৰা লিখা কবিতা। কাৰ আছিল জানো! আমাৰ জগদীশ লহকৰক সুধিলে কিন্তু ক'ব পাৰিলে হয়।"

"অ, এইটো! এইটো পুৰণা গান।" জগদীশ লহকৰৰ নাম শুনি আকৌ প্ৰিন্সিপালৰ কথা ওলাই বুলি খাটনিয়াৰে লৰালৰিকৈ ক'লে। "কলকাতাত থাকোতেই গোৱা। এইটো তেওঁ কোনোবা থিয়েটাৰ কোম্পানীৰ কাৰণে লিখা... আছিল হ'ব পায়।" খাটনিয়াৰে 'আছিল হ'ব পায়' শব্দকেইটা যুধিষ্ঠিৰে 'অশ্বত্থামা হত'ৰ পাছৰ ছোৱা কোৱাৰ দৰে মুখৰ ভিতৰতে ক'লে।

"অ! হয় নেকি? আপুনি জানে দেই কিছু কথা, ন?" দাসে সমীহৰ সুৰেৰে ক'লে।

খাটনিয়াৰে নম্ৰতাৰ সুৰত ক'লে, "নাই, এইকেইদিন পেপাৰত দি আছে যে। মই গোটেইবোৰ পেপাৰ থৈ দিছোঁ ৰ'ব। কেতিয়াবা কিবা কামত আহিব।"

"অঁ, কেতিয়াবা এছে-টেছে লিখিব লাগিলে। মোৰ ছোৱালীজনীকতো বিষ্ণু ৰাভা-জ্যোতিপ্ৰসাদৰ সৰু সৰু কিতাপেই আনি দিছোঁ—দি থাক যিমান কম্পিটিছন দিয়। এওঁৰোতো কিবা দিৱস-চিৱস পাতিবই। কি বা নাম দিয়ে। 'শিল্পী দিৱস'তো আছেই। 'গায়ক দিৱস'-চিৱস কিবা এটা দিব চাগৈ, ন?" এইবুলি কৈ কিছুপৰ কিবা চিন্তা কৰি দাসে ক'লে—"কলকাতা-বম্বে চবতে পাতিছে বোলে কণ্ডলেন্স?"

"চবতে, আমেৰিকা-চামেৰিকা চবতে। অসমীয়া মানুহ য'ত য'ত আছে চবতে।"

"তেওঁতো আমেৰিকাতো আছিল, ন?"

"অঁ, আমেৰিকাতে এম. এ. পঢ়া। কেমব্ৰিজত নেকি। তাৰ পৰা আহি আমাৰ ইউনিভাৰ্চিটিত থাকিল দুবছৰমান।"

"আমাৰ এই ইউনিভাৰ্চিটিত!" দাসে চকু দুটা বহলকৈ মেলি সুধিলে।

"অঁ, আমাৰ এই ইউনিভাৰ্চিটিত। অসমীয়া ডিপাৰ্টমেণ্টত। তাত কেইবছৰমান থাকি তাৰ পাছত ডাইৰেক্ট কলকাতা।" খাটনিয়াৰে গহীন পাণ্ডিত্যৰ সুৰত কথাকেইষাৰ ক'লে।

"ভালেই কৰিলে।" দাসে ক'লে। "আমাৰ অসমত থাকিলে ইমান ৰাইয কৰিব নোৱাৰিলেহেঁতেন। এট্ৰম'ষ্টফিয়াৰেই নাই। তাতকৈ তাতেই থাকি যাব লাগিছিল, আমেৰিকাত। তেতিয়াতো আৰু ফেমাছ হ'ল হয়। তাতেই থাকি গীটাৰ এখন লৈকিনে ইংলিছ গান-চান..."

"নাই, এই আৰ্টিষ্ট মানুহবোৰৰ এইটো অলপ তেনেকুৱাই। আৰু তেতিয়া আমাৰ ইয়াত দিন-কালো ভাল আছিল। জ্যোতিপ্ৰসাদহঁত আছিল..."

"তাকেইহে। এতিয়াহে কি হ'ল। কি যে হ'ব অসমখনৰ। এৱেঁই যি এজন আছিল, এতিয়াতো আৰু কোনোৱেই নাই।" এইবুলি কৈ লগতে—মোৰ ল'ৰাটোকো তাকেই কৈ থাকোঁ, ভালকৈ পঢ়া-শুনা কৰিকিনে বাহিৰলৈ যা, তাতেই থাক। ইয়াত একো নাই—বুলি ক'ব খুজি খাটনিয়াৰৰ ডাঙৰ ল'ৰাটো বাঙ্গালুৰুত কিবা চাকৰি কৰি থকাৰ কথা মনত পৰাত মনে মনে থাকিল।

"নক'ব আৰু!" খাটনিয়াৰেও গভীৰ ব্যাথাৰ সুৰত ক'লে।

কিছুদুৰ দুয়ো গভীৰ চিন্তাত পাৰ কৰাৰ পাছত খাটনিয়াৰে ক'লে, "আপোনাৰ ষ্টপেজ আহিলেই আৰু।"

"তাকেই, নামোৱে আৰু মই।" এইবুলি কিছুপৰ মনে মনে থাকি দাসে ক'লে—

"এই কামটো হ'লে ভাল হ'ব বুজিছেনে?"

"কোনটো কাম?" খাটনিয়াৰে আচৰিত হৈ সুধিলে।

"নাই, মানে এই ভূপেনদাক জগত সভালৈ নিয়া কামটো। তেওঁৰ নিচিনা মানুহতো আৰু নোলাবই অসমত। গতিকে কামবোৰ সোনকালে কৰিব লাগে আৰু। মই তাকেই ভাবিছোঁ। আমিও এশ-দুশ যি লাগে দিওঁ, শৰ্মাচাৰহঁতেও কিতাপ-তিতাপ কি উলিয়াই উলিয়াওক। অডিটৰিয়ামৰ সমুখত মূৰ্ত্তিটোও বনাওক আৰু, নে কি কয়?"

"তাকেই ৰ'ব..."

"আপোনাৰতো প্ৰিন্সিপাল চাৰৰ লগত ভালেই।" দাসে খাটনিয়াৰৰ ফালে চাই ক'লে।

"নাই নাই!" খাটনিয়াৰে দুৰ্বলভাৱে প্ৰতিবাদ কৰি উঠিল। "ভাল মানে কি আৰু! চাৰৰ শহুৰেকৰ ঘৰ আমাৰ গাঁৱতে।"

"সেয়েতো সেই।" দাসে আকৌ প্ৰায় ধমকিৰ সুৰত কৈ হঠাৎ নৰম হৈ ক'লে—

"চাৰক ক'ব আৰু, যাতে কামবোৰ সোনকালে হয়। আমাৰো কৈ ভাল লাগিব দিয়কচোন। নিজৰে কলেজ। হয়নে নহয়?"

খাটনিয়াৰে লাহেকৈ মূৰ দুপিয়ালে—হয় হয়।

"চাৰক ক'লে কিন্তু কৰিব, মই জানো।" দাসে গভীৰ প্ৰত্যয়েৰে ক'লে। "মানুহটোৰ এইবোৰত ইণ্টাৰেষ্ট আছে। বাকীবোৰ প্ৰিন্সিপালৰ নিচিনা নহয়। কামটো হয় যদি চাৰক ক'বচোন—মানে এই ভূপেনদাৰ মূৰ্ত্তিটোৰ কামখিনিৰ কাৰণে ঠিকদাৰ লাগে যদি—মোৰ মানে ভাইটি এটা আছে। শিল-বালি, ইটা-চিটাও পায় তাৰ তাত। এতিয়া মোৰ লগতে থাকিকিনে অলপ-চলপ কাম শিকি আছে আৰু। কাম পাইছে বস্তুকেইটা..."

নতুন
# পদাতিক
সাহিত্য-সংস্কৃতি-সমাজবিষয়ক প্ৰগতিশীল মাহেকীয়া

প্ৰকাশ কাল ● ১ অক্টোবৰ ২০১২ ● মূল্য ঃ ২৫/-

ISSN- 2250-3471 ● www.natunpadatik.webs.com

*মুখ্য সম্পাদক*
ড° হীৰেন গোহাঁই

*কাৰ্যবাহী সম্পাদক*
ড° অখিল ৰঞ্জন দত্ত
নৱজ্যোতি বৰগোহাঁই

*সহযোগী সম্পাদক*
ইন্দিবৰ দেউৰী
সিদ্ধাৰ্থ লাহিড়ী
শৈলেন বৰকটকী
ঋতুৰাজ কলিতা
ড° দিলীপ বৰা
ভূপেন্দ্ৰনাথ গোস্বামী
দ্বিপেন কাকতি
ডাঃ জীৱন দত্ত বৰুৱা
ড° গৌতম কুমাৰ বৰা

*যোগাযোগৰ ঠিকনা ঃ*
নতুন পদাতিক
গান্ধীবস্তি, ৰাজহুৱা কালীমন্দিৰৰ সন্মুখত
নতুন শৰণীয়া, ঘৰ নং - ১৭
উপ-পথ - 4 A, গুৱাহাটী-৭৮১০০৩

E-mail
padatik.natun@gmail.com
naba.borgohain@gmail.com

www.natunpadatik.webs.com

ডি টি পি
পদাতিক প্ৰকাশন
গুৱাহাটী-৭৮১০০৩
ফোন নং - ৯৪৩৫০৫৯৯৫৩

বেটুপাত
কিশোৰ শৰ্মা

মুদ্ৰণ ঃ
শৰাইঘাট ফটো টাইপছ্ প্ৰাঃ লিঃ
বামুণীমৈদাম, গুৱাহাটী - ২১
গুৱাহাটী-৭৮১০০৩
ফোন নং - ৯৪৩৫১-৯৭৫১৫

● সম্পাদকলৈ চিঠি ঃ ৪
● সম্পাদকীয় ঃ ৰাষ্ট্ৰ, জনস্বাৰ্থ আৰু আৰ্থিক লুণ্ঠন ১২
● সাময়িকী ঃ ১৪
● বিশেষ নিবন্ধ ঃ বড়ো-মুছলমান সম্পৰ্ক ঃ সংঘাত-সম্প্ৰীতি (ঐতিহাসিক-আৰ্থসামাজিক দৃষ্টিপাত) — ইন্দিবৰ দেউৰী ২৩
● কেন্দ্ৰীয় প্ৰবন্ধ ঃ অবৈধ বাংলাদেশী বহিষ্কাৰৰ নামত পুনৰ এক 'অসম আন্দোলন'ৰ প্ৰয়োজন আছেনে? — কুমুদ বৰুৱা ২৯
● স্বাস্থ্য চিন্তা ঃ ভাৰতৰ দাৰিদ্ৰ্যপীড়িত সমাজৰ প্ৰেক্ষাপটত খাদ্য আৰু খাদ্য-মূল্যৰ বিচাৰ (খণ্ড-৪) — ঋতুৰাজ কলিতা ৩৩
● আন্তঃৰাষ্ট্ৰীয় ঃ
আমেৰিকা যক্তৰাষ্ট্ৰৰ ৫৭তম ৰাষ্ট্ৰপতি নিৰ্বাচন — বিশ্বজিৎ চক্ৰবৰ্তী ৩৭
● সমালোচনা ঃ ইতিহাসৰ সংকট ঃ
বান্দৰৰ পৰা মানুহৰ বিৱৰ্তন সম্ভৱনে? — সিদ্ধাৰ্থ লাহিড়ী ৪০
● বিতৰ্ক ঃ খাণ্ডৱদাহ নহয়, ফিৰিঙটিহে ঃ 'এটা মাত্ৰ ফিৰিঙটিয়েই বিস্তীৰ্ণ দাবানল সৃষ্টি কৰিব পাৰে' ঃ মাও চে তুং — অসীম চেটাৰ্জী ৪৫
● বিশেষ ধাৰাবাহিক প্ৰবন্ধ ঃ মই জংগল চাওতালে কৈছোঁ — ড° খনীন চৌধুৰী ৪৮
● সাম্প্ৰতিক ৰাজনীতি ঃ বি টি এ ডিৰ ঘটনাপ্ৰৱাহ আৰু সাম্প্ৰদায়িক ৰাজনীতি — ড° অখিল ৰঞ্জন দত্ত ৫১
নিষ্ক্ৰিয়তাক বিদায়— সাহসী মনমোহন! — উদ্ধৱ কাকতি ৫৫
● চাদাত হাচান মণ্টোৰ জন্ম শতবৰ্ষ বিশেষ ঃ মণ্টোৰ ওপৰত দুটামান কথা — মূল ঃ মুছৰৰফ আলম জৌকি অনুবাদ ঃ দেৱব্ৰত দাস ৫৭
● কবিতা ঃ ৫৯
● গল্প ঃ ভাৱৰীয়া — পৰাগ কুমাৰ ডেকা ৬১
● বিশেষ অনুবাদ প্ৰবন্ধ ঃ লেটিন আমেৰিকা আৰু একৈশ শতিকাৰ সমাজবাদ (খণ্ড- ২) — মূল ঃ মাৰ্টা হাৰ্নেকাৰ অনু ঃ গৌতম কুমাৰ বৰা ৬৪
বৃহৎ অগ্ৰগতিৰ সময়ত মাও চেং তু বহু মানুহৰ মৃত্যুৰ কাৰণ আছিল নেকি? — মূল ঃ জোফেছ বল অনু ঃ গৌতম বৰ্মন ৬৭
● ভাবানুবাদ (গ্ৰন্থ) ঃ এজন অৰ্থনৈতিক ঘাতকৰ স্বীকাৰোক্তি — মূল ঃ জন পাৰ্কিনছ অনু ঃ ডাঃ জীৱন দত্ত বৰুৱা ৬৯
● দৰ্শন ঃ শ্ৰমিকৰ দৰ্শন — মূল ঃ জ্যোতি ভট্টাচাৰ্য অনুবাদ ঃ অৰিন্দম ডেকা ৭২
ভাববাদ খণ্ডন — মূল ঃ দেবীপ্ৰসাদ চট্টোপাধ্যায় অনু ঃ শৈলেন বৰকটকী ৭৩
● গ্ৰন্থ সমালোচনা ঃ 'মক্‌ড্ৰিল'ৰ ড্ৰিল ঃ মক্ নে ৰীয়েল? — শিৱজিত দত্ত ৭৫

# নতুন পদাতিক

ISSN 2250-3471
প্ৰকাশ কাল - ১ অক্টোবৰ, ২০১২
মুখ্য সম্পাদক-ড° হীৰেন গোহাঁই

- ৰাষ্ট্ৰ, জনস্বাৰ্থ আৰু আৰ্থিক লুণ্ঠন
- বড়ো-মুছলমান সম্পৰ্ক ঃ সংঘাত-সম্প্ৰীতি
- ইতিহাসৰ সংকট ঃ বান্দৰৰ পৰা মানুহৰ বিৱৰ্তন সম্ভৱনে?
- 'মকড্ৰিল'ৰ ড্ৰিল ঃ মক্ নে ৰীয়েল
- মণ্টোৰ ওপৰত দুটামান কথা

